Total No. of printed pages = 16

**4 (Sem-1) FACT**

**2012**

# FINANCIAL ACCOUNTING

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

Answer *either* in English *or* in Assamese.

1. Give the meaning of the following : 1×10=10

তলত দিয়া বিলাকৰ অৰ্থ লিখা ঃ

(a) Indian accounting standard

ভাৰতীয় হিচাপৰ মানক

(b) Accounting conventions

হিচাপৰ প্ৰচলিত ৰীতি

(c) Neutrality of accounting information

হিচাপৰ তথ্যসমূহৰ নিৰপেক্ষতা

[Turn over

(d) Self balancing ledger

স্বয়ং সম্পূৰ্ণ খতিয়ন

(e) Instalment purchase system

কিস্তিগত ক্ৰয় পদ্ধতি

(f) Repossession by Hire Vendor

ভাড়া ক্ৰয় বিক্ৰেতাৰ দ্বাৰা পুনৰ অধিগ্ৰহণ

(g) Interest in hire purchase system

ভাড়া ক্ৰয় পদ্ধতিত সুদ

(h) Short working under Royalty Accounts

স্বত্বকৰ হিচাপৰ অধীনত শ্বৰ্ট ওৱৰ্কিং

(i) Lessee in Royalty Accounting system

স্বত্বকৰ হিচাপ ব্যৱস্থাত পট্টাদাৰ

(j) Floating right in Royalty.

স্বত্বকৰ ব্যৱস্থাত ভাসমান অধিকাৰ।



2. Write the answer briefly : 2×5=10

চমুকৈ উত্তৰ লিখা ঃ

(a) Mention two basic features of accounting principles.

হিচাপৰ নীতিসমূহৰ দুটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰা।

(b) Mention two advantages of self balancing ledger system.

স্বয়ং সন্তুলিত খতিয়নৰ পৰা পোৱা দুটা সুবিধা উল্লেখ কৰা।

(c) State the two basic features of sectional balancing ledger.

শাখাযুক্ত খতিয়ন পদ্ধতিৰ দুটা মৌলিক বৈশিষ্ট্য লিখা।

(d) Mention the two rights of Hire Purchaser under Hire Purchase Act, 1972.

Hire Purchase Act, 1972 মতে ভাড়া ক্ৰয় পদ্ধতিৰ ক্ৰেতাৰ দুটা অধিকাৰ উল্লেখ কৰা।

(e) Define in brief the term Royalty suspense account.

স্বত্বকৰ স্থগিত হিচাপৰ চমুকৈ সংজ্ঞা দিয়া।

3. Write the answer of the following : 5×4=20

তলত দিয়াবোৰৰ উত্তৰ লিখা ঃ

(a) State the limitation of accounting principle.

হিচাপৰ নীতিৰ সীমাবদ্ধতা লিখা।

Or/অথবা

Write the limitations of accounting standard.

হিচাপৰ মানকসমূহৰ সীমাবদ্ধতা লিখা।

(b) Write the distinctions between Sectional Ledger Balancing system and self balancing ledger system.

শাখাযুক্ত উদ্বৃত্ত খতিয়ন পদ্ধতি আৰু স্বয়ং সন্তুলিত খতিয়ন পদ্ধতিৰ পাৰ্থক্য লিখা।

Or/অথবা

What are the advantages of Sectional Ledger Balancing system ?

শাখাযুক্ত উদ্বৃত্ত খতিয়ন পদ্ধতিৰ সুবিধাসমূহ কি ?

(c) Prantar puchased a machine from Munukan on hire purchase system whose cash price was Rs. 60,000. On 1st January, 2009, Rs. 20,000 was paid at the signing of the contract and the balance was paid in three equal annual instalments of Rs. 20,000 each. The rate of interest was 22% p.a.



You are required to calculate the amount of interest included in each instalment.

প্ৰান্তৰে মুনুকনৰ পৰা যন্ত্ৰ এটা 60,000 টকাৰ নগদ মূল্যত পহিলা জানুৱাৰী 2009 তাৰিখে ভাড়া ক্ৰয় পদ্ধতিত ক্ৰয় কৰিলে। চুক্তিপত্ৰত স্বাক্ষৰ হোৱাৰ দিনাই 20,000 টকা আদায় দিয়া হ'ল। বাকী থকা অৰ্থ 20,000 টকাকৈ সমপৰিমাণৰ তিনিটা বাৰ্ষিক কিস্তিত পৰিশোধ কৰা হ'ল। সুদৰ হাৰ আছিল বছৰি 22%। প্ৰতিটো কিস্তিত অন্তৰ্ভুক্ত সুদৰ ধন গণনা কৰা।

Or/অথবা

Write the obligations of the hire purchaser under the Hire Purchase Act, 1972.

ভাড়া ক্ৰয় আইনৰ (1972) অধীনত থকা ভাড়া ক্ৰয় ক্ৰেতাৰ দায়বদ্ধতাসমূহ লিখা।

(d) Debu Enterprise leased some land to xyz limited at Rs.5 per tonne on the output subject to a dead rent of Rs. 40,000 per annum with the right of recoupment of short working during the first three years of the lease. The output for the first 4 years were as follows :

দেবু এন্টাৰপ্ৰাইজে xyz লিমিটেডলৈ কিছু ভূমি লীজলৈ দিয়ে। স্বত্বকৰ প্ৰতি টন উৎপাদনত 5 টকাকৈ ধৰা হ'ল। বছৰি ন্যূনতম ভাড়া 40,000 টকা সাপেক্ষে আৰু শৰ্ট ওৱৰ্কিঙৰ ক্ষতিপূৰণ লীজ লোৱাৰ প্ৰথম তিনি বছৰত

আদায় কৰাৰ সুবিধা সন্নিবিষ্ট কৰা হ'ল। প্ৰথম 4 বছৰৰ উৎপাদন নিম্নলিখিত ধৰণৰ ঃ

| | | |
|---|---|---|
| First year<br>প্ৰথম বছৰ | – | 6,000 tonnes |
| Second year<br>দ্বিতীয় বছৰ | – | 9,000 tonnes |
| Third year<br>তৃতীয় বছৰ | – | 11,000 tonnes |
| Fourth year<br>চতুৰ্থ বছৰ | – | 7,000 tonnes |

You are required to prepare statement showing the calculation of Royalty and short working.

স্বত্বকৰ আৰু শ্বৰ্ট ওৱৰ্কিঙৰ পৰিমাণ গণনা কৰি বিবৃতি প্ৰস্তুত কৰা।

Or/ অথবা

Write in brief the treatment of Royalty Accounts in the books of Lessor and Lessee.

পট্টাদাতা আৰু পট্টাদাৰৰ বহীত স্বত্বকৰ হিচাপ কেনেদৰে ৰখা হয় চমুকৈ লিখা।

4. Elucidate the generally accepted accounting principles applied in business practices. 10

ব্যৱসায়ত প্ৰয়োগ হোৱা সাধাৰণতে গ্ৰহণযোগ্য হিচাপৰ নীতিসমূহ ব্যাখ্যা কৰা।



Or/অথবা

Explain the authorities involved in formulating Accounting Standards in India. 10

ভাৰতত হিচাপৰ মানকসমূহ গঠন কৰাত জড়িত কৰ্তৃপক্ষসমূহৰ বিষয়ে বহলাই লিখা।

5. From the following information prepare (i) Total Debtors Account and (ii) Total Creditors Account in the book of M/s. Dudul Store on 1.1.2012. Balance of sundry debtor was Rs. 32,000 and balance of sundry creditors was Rs. 40,000. 10

নিম্নলিখিত তথ্যৰ পৰা মেচাৰ্চ দুদুল ষ্টোৰৰ হিচাপ বহীত মুঠ দেনাদাৰ আৰু মুঠ পাওনাদাৰৰ হিচাপ প্ৰস্তুত কৰা।

পহিলা জানুৱাৰী 2012 তাৰিখে সাধাৰণ দেনাদাৰৰ উদ্বৃত্ত আছিল 32,000 টকা আৰু সাধাৰণ পাওনাদাৰৰ উদ্বৃত্ত আছিল 40,000 টকা।

Information on 30.6.2012 :

30.6.2012 তাৰিখৰ তথ্য ঃ

| | | |
|---|---|---|
| Credit purchase<br>বাকীত ক্ৰয় | Rs. | 10,500 |
| Credit sale<br>বাকীত বিক্ৰী | Rs. | 20,100 |
| Cash sales<br>নগদ বিক্ৰী | Rs. | 1,700 |

| | | |
|---|---|---|
| Cash purchases<br>নগদ ক্রয় | Rs. | 2,500 |
| Paid to creditors<br>পাওনাদাৰক পৰিশোধ | Rs. | 21,800 |
| Discount received<br>বাট্টা প্ৰাপ্তি | Rs. | 800 |
| Cash received from debtor<br>দেনাদাৰৰ পৰা প্ৰাপ্তি | Rs. | 18,600 |
| Discount allowed<br>বাট্টা প্ৰদান | Rs. | 350 |
| Bills payable accepted<br>পৰিশোধনীয় বিলৰ গ্ৰহণ | Rs. | 4,500 |
| Bill receivable received<br>পাবলগীয়া বিলৰ প্ৰাপ্তি | Rs. | 6,000 |
| Return inwards<br>গ্ৰাহকৰ পৰা ওভতি অহা দ্ৰব্য | Rs. | 2,000 |
| Return outwards<br>যোগনিয়াৰক ওভতাই দিয়া দ্ৰব্য | Rs. | 1,500 |
| Rebate allowed to debtors<br>দেনাদাৰক দিয়া ৰেহাই | Rs. | 800 |



| | | |
|---|---|---|
| Rebate allowed by the creditor<br>পাওনাদাৰে দিয়া ৰেহাই | Rs. | 450 |
| Provision for doubtful debt<br>সন্দেহজনক দেনাদাৰৰ বাবে কৰা পুজি | Rs. | 400 |
| Bad debt<br>অনুদ্ধাৰণীয় ঋণ | Rs. | 1,050 |
| Bills receivable dishonoured<br>পাবলগীয়া বিল অসম্মানিত | Rs. | 850 |
| Bad debt previously written off now recovered<br>অনুদ্ধাৰণীয় ঋণ পূৰ্বতে অৱলিখন হৈছিল এতিয়া আদায়। | Rs. | 450 |

Or/অথবা

From the following particulars, write up necessary Adjustment Accounts as they would appear in the Nominal Ledger of Ratul Store.

নিম্নলিখিত তথ্যৰ ভিত্তিত ৰাতুল ষ্টোৰৰ সাধাৰণ খতিয়ন (Nominal Ledger) বহীত প্ৰয়োজনীয় সংযোজন হিচাপ প্ৰস্তুত কৰা।

| | Rs. |
|---|---|
| Debtor's balance as on 1.1.2011(Dr)<br>দেনাদাৰৰ উদ্বৃত্ত | 60,000 |
| Creditor's balance as on 1.1.2011(Cr)<br>পাওনাদাৰৰ উদ্বৃত্ত | 40,000 |

Transactions of the year :

বছৰটোৰ লেনদেনবোৰ ঃ

| | Rs. |
|---|---|
| Credit sales<br>বাকীত বিক্ৰী | 53,500 |
| Cash sales<br>নগদ বিক্ৰী | 21,200 |
| Cash purchase<br>নগদ ক্ৰয় | 32,100 |
| Discount allowed to debtors<br>দেনাদাৰক দিয়া বাট্টা | 400 |
| Bills receivable dishonoured<br>প্ৰাপ্য বিল অসম্মানিত | 150 |
| Goods returned by customer<br>গ্ৰাহকৰ দ্বাৰা ওভতাই দিয়া দ্ৰব্য | 1,100 |
| Returns outward<br>যোগনিয়াৰক ওভতাই দিয়া দ্ৰব্য | 570 |
| Discount allowed to debtors<br>দেনাদাৰক দিয়া বাট্টা | 710 |
| Bills payable accepted<br>পৰিশোধনীয় বিলৰ গ্ৰহণ | 4,250 |
| Bills receivable received<br>পাবলগীয়া বিলৰ প্ৰাপ্তি | 6,100 |



| | Rs. |
|---|---|
| Interest charged on dishonoured bill<br>অসম্মানিত বিলৰ ওপৰত সুদ আৰোপ | 45 |
| Cash paid to creditor<br>পাওনাদাৰক ধন পৰিশোধ | 25,200 |
| Cash received from debtors<br>দেনাদাৰৰ পৰা প্ৰাপ্ত ধন | 31,100 |
| Discount received<br>বাট্টা প্ৰাপ্তি | 300 |
| Bad debts<br>অনুদ্ধাৰণীয় ঋণ | 550 |
| Transfer from bought ledger to sales ledger<br>ক্ৰয় খতিয়নৰ পৰা বিক্ৰয় খতিয়নলৈ স্থানান্তৰণ | 320 |
| Bad debt recovered<br>অনুদ্ধাৰণীয় ঋণৰ আদায় | 110 |
| Credit purchase<br>বাকীত ক্ৰয় | 55,100 |

8. Pankaj purchased a Maruti car and a Tata Sumo from Archana Automobiles on 1.1.2009 on Hire Purchase system. The cash price of the car is Rs. 2,00,000 and of Tata Sumo is Rs. 3,00,000. The amount is payable as 10% down and the balance in 3 annual instalments of 30% of the

cash price each along with interest @ 20% p.a. Pankaj depreciates both the vehicles @ 20% of original cost. He pays the 1st instalment in time but fails to pay the 2nd one. As per the agreement Archana Automobiles seizes the car from Pankaj leaving the Tata Sumo with him. The company values the car taken away at cost less 30%. It sells the reconditioned car at Rs. 1,60,000 after incurring expenses of Rs. 5,000.

Prepare Maruti Car Account and Archana Automobiles Account in the book of Pankaj for the full term : 10

2009 চনৰ পহিলা জানুৱাৰী তাৰিখে পঙ্কজে অৰ্চনা অটোমোবাইলৰ পৰা এখন মাৰুতি কাৰ আৰু এটা টাটা চুমো ভাড়া ক্ৰয় পদ্ধতিত ক্ৰয় কৰিলে। মাৰুতি কাৰ আৰু টাটা চুমোৰ নগদ মূল্য যথাক্ৰমে 2,00,000 টকা আৰু 3,00,000 টকা। নগদ মূল্যৰ 10% আৰম্ভণিতে আৰু বাকী থকা অংশ নগদ মূল্যৰ 30% কৈ তিনিটা বাৰ্ষিক কিস্তিত বছৰি 20% হাৰত সুদৰ সৈতে পৰিশোধ কৰিবলৈ বন্দোবস্ত হ'ল।

পঙ্কজে দুয়োখন বাহনৰ মূল দামৰ ওপৰত বছৰি 20% অৱক্ষয়ৰ হাৰ ধাৰ্য কৰিলে। তেওঁ প্ৰথম কিস্তিটো সময়মতে পৰিশোধ কৰিলে যদিও দ্বিতীয় কিস্তিটো পৰিশোধ কৰিব নোৱাৰিলে।

বন্দোবস্তী মতে অৰ্চ্চনা অটোমোবাইলে পঙ্কজৰ পৰা মাৰুতি কাৰখন অধিগ্ৰহণ কৰিলে। টাটা চুমোখন পঙ্কজৰ তাত ৰাখিলে। অৰ্চ্চনা অটোমোবাইলে অধিগ্ৰহণ কৰা কাৰখন মূল



দামৰ পৰা 30% হ্ৰাস কৰি মূল্যায়ন কৰিলে। 5,000 টকাৰ খৰচত কাৰখন পুনৰ গঠন কৰাৰ পিছত কোম্পানীটোৱে কাৰখন 1,60,000 টকাত বিক্ৰী কৰিলে।

পঙ্কজৰ হিচাপ বহীত মাৰুতি কাৰ হিচাপ আৰু অৰ্চ্চনা অটোমোবাইলৰ হিচাপ সম্পূৰ্ণ ম্যাদলৈ প্ৰস্তুত কৰা।

Or/অথবা

Bubu purchased on instalment basis a machine from Rubu on 1st January 2009 for a sum of Rs. 80,000. Rs. 20,000 is to be paid on the signing of the contract and rest in three annual instalments of Rs. 20,000 each. The cash price of the machine is Rs. 74,500 and interest is charged by the vendor at 5% p.a. The buyer charges depreciation at 10% p.a. on the diminishing balance.

You are required to prepare Machinery A/c, Interest suspense accounts and Rubu accounts in the books of Bubu for the full term. 10

বুবুৱে কিস্তিগত পদ্ধতিত ৰুবুৰ পৰা এটা যন্ত্ৰ পহিলা জানুৱাৰী 2009 তাৰিখে 80,000 টকাত ক্ৰয় কৰিলে। 20,000 টকা চুক্তিপত্ৰত স্বাক্ষৰ কৰাৰ দিনাই আৰু বাকী থকা অৰ্থ 20,000 টকাকৈ তিনিটা বাৰ্ষিক কিস্তিত পৰিশোধ কৰিবলৈ বন্দোবস্ত হ'ল। যন্ত্ৰপাতিৰ নগদ মূল্য 74,500 টকা। বিক্ৰেতাই সুদৰ হাৰ বছৰি 5% ধাৰ্য কৰিলে। ক্ৰেতাই ক্ৰমহ্ৰাসমান মূল্যৰ ওপৰ বছৰি 10% অৱক্ষয় ধাৰ্য কৰিলে।

বুবুৰ হিচাপ বহীত যন্ত্ৰপাতিৰ হিচাপ, স্থগিত সুদৰ হিচাপ আৰু ৰুবুৰ হিচাপ সম্পূৰ্ণ ম্যাদলৈ দেখুওৱা।

7. Royal Company Limited took lease of a coal mine from Krishna at annual dead rent of Rs. 4000 subject to a royalty @ 50 paise per ton extracted. Short workings are recoupable over the first four years of the lease.

Royal Company Limited sub leased a part of the mine to Jyoti at an annual dead rent of Rs. 2000 subject to a royalty payable @ 75 paise per ton extracted. The right to recoupe short workings was during the next 2 years following the short workings. The output for five years were as follows : 10

ৰয়েল কোম্পানী লিমিটেডে কৃষ্ণৰ পৰা সংগৃহীত প্ৰতি টন কয়লাত 50 পইছা সাপেক্ষে ন্যূনতম বাৰ্ষিক কৰ 4,000 টকাৰে এটা কয়লা খনিৰ পট্টা ললে। শ্বৰ্ট ওৱৰ্কিঙৰ পৰা হোৱা ক্ষতি পট্টা গ্ৰহণ কৰাৰ প্ৰথম 4 বছৰত পূৰণৰ ব্যৱস্থা আছিল।

ৰয়েল কোম্পানী লিমিটেডে খনিৰ এটা অংশ দ্বিতীয় বাৰৰ (sub lease) জ্যোতিক 2000 টকা ন্যূনতম স্বত্বকৰ সাপেক্ষে প্ৰতি টন সংগৃহীত কয়লাত 75 পইছাকৈ পট্টা দিলে।

শ্বৰ্ট ওৱৰ্কিঙৰ ক্ষতি শ্বৰ্ট ওৱৰ্কিং হোৱাৰ পৰা দুবছৰৰ ভিতৰত পূৰণ হ'ব।

খনিৰ 5 বছৰৰ উৎপাদন আছিল নিম্নলিখিত ধৰণৰ :



| | Royal Company Limited | Jyoti | Total output |
|---|---|---|---|
| | Tons | Tons | |
| 2015 | 4500 | 1500 | 6000 |
| 2016 | 4640 | 2160 | 6800 |
| 2017 | 5200 | 2800 | 8000 |
| 2018 | 5600 | 3600 | 9200 |
| 2019 | 7200 | 4800 | 12000 |

Prepare Royalty Payable Accounts, Royalty Receivable Accounts in the book of Royal Company Limited for first three years. 10

ৰয়েল কোম্পানী লিমিটেডৰ হিচাপ বহীত পাবলগীয়া স্বত্বকৰ আৰু দিবলগীয়া স্বত্বকৰ হিচাপ প্ৰথম তিনি বছৰৰ বাবে প্ৰস্তুত কৰা।

Or/অথবা

Umesh took the lease of a mine from Bubul at a given rate of royalty with a minimum rent of Rs. 20,000 per year. Each year's excess of minimum rent over royalty is recoverable out of the royalty for the next two years. In the event of any strike and minimum rent not being reached, it was agreed that the actual royalty earned for the year would be the full royalty obligation for the year concerned. The actual royalty for the different years were as follows :

উমেশে বুবুলৰ পৰা এটা নিৰ্দিষ্ট স্বত্বকৰৰ হাৰত প্ৰতি ব...
ন্যূনতম 20,000 টকা কৰ সাপেক্ষে খনি এটাৰ পট্টা ল...
প্ৰত্যেক বছৰে স্বত্বকৰৰ ওপৰিখিনি ন্যূনতম কৰৰ ধন প...
দু বছৰত ক্ষতিপূৰণ কৰাৰ ব্যৱস্থা আছিল। কোনো ধ...
ধৰ্মঘটৰ বাবে ন্যূনতম কৰ আদায় নহ'লে প্ৰকৃত কৰ প্ৰা...
স্বত্বকৰ দায়িত্ব হিচাপে বছৰটোৰ কাৰণে গ্ৰহণ কৰা হ...

বিভিন্ন বছৰত প্ৰাপ্ত হোৱা স্বত্বকৰ নিম্নলিখিত ধৰণৰ :

| | | Actual Royalty (Rs.) প্ৰকৃত স্বত্বকৰ |
|---|---|---|
| First year প্ৰথম বছৰ | | Nil নাই |
| Second year দ্বিতীয় বছৰ | Rs. | 8,000 |
| Third year (strike) তৃতীয় বছৰ (ধৰ্মঘট) | Rs. | 19,000 |
| Fourth year চতুৰ্থ বছৰ | Rs. | 22,500 |
| Fifth year পঞ্চম বছৰ | Rs. | 30,000 |

Prepare Royalty Accounts and Bubul Accounts in the book of Umesh. 10

উমেশৰ হিচাপ বহীত স্বত্বকৰ হিচাপ আৰু বুবুলৰ হি... প্ৰস্তুত কৰা।